- দৈৰ্ঘ, ওজন আৰু আয়তন জুখিব পৰা  ডাঙৰ আৰু সৰু এককৰ মাজত থকা সম্বন্ধবোৰ জানিব  আৰু সৰু একক ডাঙৰ এককলৈ আৰু ডাঙৰ একক সৰু এককলৈ ৰূপান্তৰ কৰিবলৈ শিকিব।
- গোটা বস্তুৰ আয়তন জনা এককত অনুমান কৰিব পাৰিব। যেনে - বাল্টি এটাৰ আয়তন মগ এটাৰ আয়তনৰ প্ৰায় 20 গুণ।
- টকা-পইচা, দৈৰ্ঘ, ভৰ, ধাৰণ ক্ষমতা আৰু সময় সম্বন্ধীয় সমস্যামূলক অংকসমূহ পাটিগণিতৰ মৌলিক চাৰি প্ৰক্ৰিয়াৰে সমাধান কৰিবলৈ শিকিব।
- ত্ৰিভুজীয় সংখ্যা (Triangular) আৰু বৰ্গ সংখ্যা (Square number) ৰ চানেকিবোৰ চিনাক্ত কৰিব পাৰিব।
- দৈনন্দিন জীৱনৰ লগত জড়িত বিভিন্ন তথ্য সংগ্ৰহ কৰি তালিকা কৰিব পাৰিব আৰু তথ্যসমূহ দণ্ডচিত্ৰৰে প্ৰকাশ কৰি ব্যাখ্যা কৰিবলৈ শিকিব।

## পৰিৱেশ অধ্যয়ন

ছাত্ৰ-ছাত্ৰীয়ে—

- পোহৰ, শব্দ, গোন্ধ আদিৰ প্ৰতি প্ৰাণীৰ প্ৰবল সংবেদনশীলতা আৰু ইয়াৰ প্ৰতিক্ৰিয়া লগতে প্ৰাণীৰ দৃষ্টিশক্তি, নিদ্ৰা, আহাৰ গ্ৰহণ কৰা আদি অস্বাভাৱিক বৈশিষ্ট্যসমূহ ব্যাখ্যা কৰিব পাৰিব।
- বিজ্ঞান আৰু প্ৰযুক্তি ব্যৱহাৰ কৰি মানুহৰ দৈনন্দিন জীৱনৰ মৌলিক প্ৰয়োজনখিনি, যেনে- খাদ্য, পানী আদি আহৰণ কৰা প্ৰক্ৰিয়াসমূহ ব্যাখ্যা কৰিব পাৰিব। (খেতি পথাৰত উৎপন্ন হোৱা শস্যবোৰ কি কি প্ৰক্ৰিয়াৰে গৈ ৰান্ধনিশালত ব্যৱহাৰৰ উপযোগী হয়, খাদ্য সংৰক্ষণ পদ্ধতি, পানীৰ উৎস চিনাক্তকৰণ আদি)।
- প্ৰাণী, উদ্ভিদ আৰু মানুহৰ পৰস্পৰ নিৰ্ভৰশীলতা বৰ্ণনা কৰিব পাৰিব। (যেনে— প্ৰাণীৰ ওপৰত ভিত্তি কৰি কিছুমান সম্প্ৰদায়ৰ জীৱিকা নিৰ্বাহ, মানুহ আৰু প্ৰাণীৰ দ্বাৰা বীজৰ বিস্তাৰণ ইত্যাদি।)
- বাস্তৱ জীৱনত বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ ভূমিকা আৰু এইবোৰৰ কাৰ্যাৱলী বৰ্ণনা কৰিব পাৰিব। (যেনে- বেংক, পঞ্চায়ত, সমবায়, আৰক্ষী চকী ইত্যাদি।)
- ভূমিখণ্ড, জলবায়ু, সম্পদ (খাদ্য, পানী), আশ্ৰয়স্থলী, জীৱিকা আদিৰ লগত মানুহৰ সাংস্কৃতিক জীৱনৰ সংযোগ স্থাপন কৰিব পাৰিব (যেনে— দূৰণিবটীয়া/অতি দুৰ্গম/অতি গৰম আৰু অতি শীতল মৰুভূমি অঞ্চল)।
- কিছুমান বৈশিষ্ট্য আৰু গুণাগুণৰ (যেনে-আকৃতি, সোৱাদ, বৰণ, বিন্যাস, মাত, গঠনশৈলী, চাৰিত্ৰিক বৈশিষ্ট্য) ওপৰত ভিত্তি কৰি জীৱ/বস্তুবোৰৰ  শ্ৰেণী বিভাজন কৰিব পাৰিব।
- অতীত আৰু বৰ্তমানৰ কিছুমান প্ৰথা, কলা-কৌশল আৰু কাৰ্যাৱলীৰ অনুশীলনৰ পৰিৱৰ্তনবোৰ— মুদ্ৰা, চিত্ৰ, কীৰ্তিচিহ্ন, যাদুঘৰ আদি অধ্যয়ন কৰি পোৱা তথ্যৰে আৰু বিজ্ঞ জ্যেষ্ঠ ব্যক্তিৰ লগত মত বিনিময় কৰি বৰ্ণনা কৰিব পাৰিব। (যেনে- কৃষি কাৰ্য, সংৰক্ষণ পদ্ধতি, উৎসৱ-পাৰ্বন, সাজ-পাৰ, পৰিৱহণ ব্যৱস্থা, সা-সঁজুলি, বৃত্তি, অট্টালিকা/ঘৰ, খাদ্য প্ৰস্তুত প্ৰণালী, কাম কৰা ধৰণ, অনুশীলন ইত্যাদি)।
- কিছুমান প্ৰাকৃতিক পৰিঘটনাৰ ধৰ্ম, চৰ্ত (যেনে ওপঙি থকা আৰু ডুব যোৱা, মিশ্ৰণ, বাষ্পীভৱন, অংকুৰণ, নষ্ট হোৱাৰ কাৰণ আদিৰ) সত্যাসত্য সৰল সঁজুলিৰ সহায়ত পৰীক্ষা-নিৰীক্ষা কৰি প্ৰমাণ কৰিব পাৰিব লগতে দুই বা তাতোধিক বস্তুৰ মাজত দূৰত্ব, আয়তন, ওজন, সময় আদি জোখ-মাখ/হিচাপ-নিকাচ কৰি স্থানীয়/নিৰ্ধাৰিত এককত নিৰ্ণয় কৰিব পাৰিব।
- পৰ্যৱেক্ষণ আৰু অভিজ্ঞতাৰ পৰা পোৱা কিছুমান তথ্য প্ৰণালীবদ্ধ ভাৱে সজাই  তালিকা, চিত্ৰ, দণ্ডচিত্ৰ, পাই চিত্ৰ আদিৰ দ্বাৰা নথি তৈয়াৰ কৰিব পাৰিব, ইয়াৰ উপৰি কিছুমান পৰিঘটনাৰ 'কাৰণ আৰু প্ৰভাৱৰ' মাজৰ সম্পৰ্ক সৰল-সঁজুলিৰ সহায়ত পৰীক্ষা-নিৰীক্ষা কৰি অনুমান কৰিব পাৰিব। (যেনে- ওপঙি থকা আৰু ডুব যোৱা, মিশ্ৰণ, বাষ্পীভৱণ, অংকুৰণ, নষ্ট হোৱাৰ কাৰণ ইত্যাদি।)
- প্ৰতীক/চিহ্ন/সংকেত, দিশ, বিভিন্ন বস্তুৰ স্থিতি, কোনো অঞ্চলৰ গুৰুত্বপূৰ্ণ স্থান, ভ্ৰমণ কৰা ঠাই আদি মানচিত্ৰত নিৰ্ধাৰণ কৰাৰ লগতে মানচিত্ৰত কোনো এটা অঞ্চলৰ বিভিন্ন ঠাই, দিশ আদি চিনাক্ত কৰিব পাৰিব।
- স্থানীয় আৰু পেলনীয়া সামগ্ৰী ব্যৱহাৰ কৰি ক'লাজ, আৰ্হি, নমুনা, মডেল, আল্পনা, পোষ্টাৰ, প্ৰৱাহমান চিত্ৰ, বিদ্যালয়/কাষৰীয়া অঞ্চলৰ মানচিত্ৰৰ আৰ্হি আদি তৈয়াৰ কৰিব পাৰিব।
- সমাজত ঘটি থকা কিছুমান ঘটনাৱলীৰ (যেনে— ৰাজহুৱা ঠাইত প্ৰৱেশৰ বৈষম্যতা, সম্পত্তিৰ মালিকীস্বত্ব, স্থানান্তৰীত, প্ৰব্ৰজন, বহিষ্কৃত, উচ্ছেদ, শিশুৰ অধিকাৰ) ওপৰত মতামত আগবঢ়াব পাৰিব।
- স্বাস্থ্য আৰু স্বাস্থ্যবিধি, বৰ্জনীয় পদাৰ্থৰ ব্যৱস্থাপনা, জৰুৰীকালীন পৰিস্থিতি, প্ৰাকৃতিক সম্পদৰ সুৰক্ষা আৰু সংৰক্ষণ (যেনে— ভূমি, ইন্ধন, অৰণ্য) আদিৰ বিষয়ে পৰামৰ্শ আগবঢ়াব পাৰিব।



# ছাত্ৰ-ছাত্ৰীৰ শিকনৰ ফলাফল সম্বন্ধে অভিভাৱক আৰু সমাজৰ ব্যক্তিসকলৰ বাবে প্ৰচাৰ পত্ৰিকা

## পঞ্চম শ্ৰেণী



সত্যমেব জয়তে
প্ৰাথমিক শিক্ষা বিভাগ, অসম চৰকাৰ

এন সী ই আৰ টী
NCERT

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো, সকলোৱে আগবাঢ়ো

# অসমীয়া

**ছাত্র-ছাত্রীয়ে—**

- দৈনন্দিন জীৱনৰ অভিজ্ঞতাৰ কথা, অপৰিচিত সাধু, কবিতা আদি শুনি বা পঢ়ি তাৰ বিষয়ে লিখিত আৰু মৌখিকভাবে উত্তৰ দিব পাৰিব।
- উদ্দেশ্য অনুসৰি (ফলকত লগোৱা জাননী, কাৰ্যক্ৰমৰ প্ৰতিবেদন, খবৰ, তথ্য) পঢ়িব আৰু লিখিব পাৰিব।
- নিজৰ পাঠ্যপুথিৰ বাহিৰেও বাতৰি-কাকত, শিশু আলোচনী, প'ষ্টাৰ আদি পঢ়ি বুজি আৰু এইবোৰৰ বিষয়ে ক'ব পাৰিব।
- হাস্যমূলক, সামাজিক বিষয়ৰ ওপৰত লিখা কাহিনী, কবিতা আদিৰ বিষয়ে আলোচনা কৰিব, প্ৰশ্ন সুধিব আৰু নিজৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰিব পাৰিব।
- পঢ়োঁতে পোৱা অপৰিচিত বা কঠিন শব্দৰ অৰ্থ বিচাৰি উলিয়াবলৈ অভিধান ব্যৱহাৰ কৰিব পাৰিব।
- বৈদ্যুতিন মাধ্যম (ৰেডিঅ', টি. ভি আদি)ত চলন্ত বিবৰণী, বিজ্ঞাপন, কথোপকথন, বাতৰি আদি চাব, শুনিব, বুজিব আৰু বাস্তৱ জীৱনত প্ৰয়োগ কৰিব পাৰিব।
- ছবি, চাৰ্ট আদিৰ সহায়ত ঘটনাৰ ক্ৰম ৰক্ষা কৰি ক'ব আৰু শুনা গল্প, কাহিনী আদি মান্যভাষাত ক'ব পাৰিব।
- সাহিত্যৰ বিবিধ শাখাৰ ৰচনাসমূহ (গল্প, কবিতা, কাহিনী, জীৱনী, নাটক আদি) পঢ়ি বিষয়বস্তুৰ তাৎপৰ্য বুজিব আৰু বিবিধতা অনুসৰি সাহিত্যৰ ৰস, ৰচনাৰীতি বুজি মৌখিক আৰু লিখিত ৰূপত প্ৰকাশ কৰিব পাৰিব।
- প্ৰতিষ্ঠিত কবি, সাহিত্যিক আৰু মহৎলোকৰ জীৱনী পঢ়ি মানৱীয় প্ৰমূল্যবোধ বুজিব পাৰিব।
- বৈজ্ঞানিক দৃষ্টিভংগী, স্থানীয় সম্পদ সংৰক্ষণ, পৰিৱেশ সংৰক্ষণ, বৰ্ণ বৈষম্য দূৰীকৰণ, লিংগ বৈষম্য দূৰীকৰণ আদি বিষয়ৰ পাঠ পঢ়ি বুজিব পাৰিব।
- নিজৰ চৌপাশে ঘটা বিভিন্ন ঘটনাৰ বিষয়ে জানি এইবোৰৰ ওপৰত মৌখিকভাৱে নিজৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰিব আৰু প্ৰশ্ন সুধিব পাৰিব।
- ভাষাৰ শুদ্ধতাৰ প্ৰতি মনোযোগ দিব আৰু ভাষা শুদ্ধভাৱে ব্যৱহাৰ কৰিব পাৰিব।
- বিভিন্ন প্ৰকাৰৰ পঠন সামগ্ৰী, যেনে - বাতৰি-কাকত, শিশু-সাহিত্য, প'ষ্টাৰ আদিত থকা অতি প্ৰয়োজনীয় সংবেদনশীল বিষয়বোৰ পঢ়ি মৌখিক আৰু লিখিতভাৱে ব্যক্ত কৰিব পাৰিব।
- যিকোনো বিষয় বা উৎসৱৰ বৰ্ণনা কৰি ৰচনা, চিঠি-পত্ৰ, আবেদন আদি লিখিত ৰূপত প্ৰকাশ কৰিব পাৰিব।
- স্বাস্থ্যনীতি আৰু পৰিষ্কাৰ-পৰিচ্ছন্নতা সম্পৰ্কীয় লিখনি পঢ়ি এইবোৰ প্ৰয়োগ কৰিব পাৰিব।
- পাঠৰ আলমত ব্যাৱহাৰিক ব্যাকৰণ জানি বাস্তৱ জীৱনত মৌখিক আৰু লিখিত ৰূপত প্ৰয়োগ কৰিব পাৰিব।
- পাঠ্যপুথি আৰু পাঠ্যপুথি বহিৰ্ভূত অন্যান্য পঠন সামগ্ৰীত থকা সামাজিক দায়বদ্ধতা সম্পৰ্কীয় দিশবোৰ বুজি তাক মান্য ভাষাত/ব্ৰেইল পদ্ধতিত লিখিব আৰু পালন কৰিব পাৰিব।

# ENGLISH

**The learner –**

- answers coherently in written or oral form to questions in English based on day-to-day life experiences, unfamiliar story, poem heard or read
- recites and shares English songs, poems, games, riddles, stories, tongue twisters, etc., recites and shares with peers and family members
- acts according to instructions given in English, in games/sports, such as "Hit the ball", "Throw the ring", "Run to the finish line", etc.
- reads independently in English storybooks, news items/headlines, advertisements, etc. Talks about it, and composes short paragraphs
- conducts short interviews of people around him i.e. interviewing grandparents, teachers, school librarian, gardener, etc.
- uses meaningful grammatically correct sentences to describe and narrate incidents; and for framing questions
- uses synonyms such as 'big/large', 'shut/close' and antonyms like inside/outside, light/dark from clues in context
- reads text with comprehension, locates details and sequence of events
- connects ideas that he/she has inferred, through reading and interaction, with his/her personal experiences
- takes dictation for different purposes, such as lists, paragraphs, dialogues, etc.
- uses the dictionary for reference
- identifies kinds of nouns, adverbs; differentiates between simple past and simple present verbs
- writes paragraphs in English from verbal, visual clues with appropriate punctuation marks and linkers
- writes a 'mini biography' and 'mini autobiography'
- writes informal letters, messages and e-mails
- reads print in the surroundings (advertisements, directions, names of places, etc.), understands and answers queries
- attempts to write creatively (stories, poems, posters, etc.)
- writes and speaks on peace, equality, etc. suggesting personal views
- appreciates either verbally/in writing the variety in food, dress, customs and festivals as read/heard in his/her day-to-day life, in storybooks/heard in narratives/seen in videos, films etc.

# গণিত

**ছাত্ৰ-ছাত্ৰীয়ে—**

- ডাঙৰ সংখ্যাৰ সৈতে কাৰ্য কৰিব পাৰিব—
  - — চৌপাশত ব্যৱহাৰ হৈ থকা 1000 তকৈ ডাঙৰ সংখ্যাবোৰ পঢ়িব আৰু লিখিব পাৰিব।
  - — 1000 তকৈ ডাঙৰ সংখ্যাসমূহৰ স্থানীয় মান বুজি পাব আৰু পাটীগণিতৰ চাৰি মৌলিক প্ৰক্ৰিয়া ব্যৱহাৰ কৰিব পাৰিব।
  - — উপযুক্ত নিয়ম ব্যৱহাৰ কৰি এটা সংখ্যাক আন এটা সংখ্যাৰে হৰণ কৰিব পাৰিব।
  - — এটা ডাঙৰ সংখ্যাক স্থানীয়মান অনুসাৰে ভাঙিলৈ উপযুক্ত নিয়ম ব্যৱহাৰ কৰি সংখ্যাবোৰৰ যোগ, বিয়োগ, পূৰণ আৰু হৰণ কৰিব পাৰিব। উদাহৰণস্বৰূপে, 9450 সংখ্যাটোক 25 ৰে হৰণ কৰোতে প্ৰথমে 9000 ক 25 ৰে, তাৰ পিছত 400 আৰু 50ক ক্ৰমে 25 ৰে হৰণ কৰি পিছত এই আটাইবোৰ ভাগফল যোগ কৰি উত্তৰটো উলিয়াব পাৰিব।
- ভগ্নাংশৰ বিষয়ে বোধ জন্মিব।
  - — এটা সংগ্ৰহৰ পৰা অংশবিলাক বাছি উলিয়াব জানিব।
  - — প্ৰদত্ত ভগ্নাংশ এটাৰ সমতুল্য ভগ্নাংশ গঠন কৰিব আৰু বাছি উলিয়াব জানিব।
  - — $\frac{1}{2}, \frac{1}{4}, \frac{1}{5}$ ইত্যাদি ভগ্নাংশক দশমিক ৰূপত আৰু দশমিকৰ পৰা ভগ্নাংশত প্ৰকাশ কৰিবলৈ শিকিব। উদাহৰণস্বৰূপে, টকা-পইচাৰ একক ব্যৱহাৰ কৰি 10 টকাৰ আধা যে 5 টকা হয় তাক উলিয়াব জানিব।
- কোণ আৰু আকৃতিৰ ধাৰণা উদ্ভাৱন কৰিব পাৰিব।
  - — কোণবিলাক সমকোণ, সূক্ষ্মকোণ, স্থূলকোণ হিচাপে শ্ৰেণীবিভাজন কৰিব জানিব আৰু সেইবোৰ ছবিৰে বা নক্সাৰে প্ৰকাশ কৰিব পাৰিব।
  - — পৰিৱেশত পোৱা যিবোৰ দ্বিমাত্ৰিক আকৃতিৰ ঘূৰ্ণন আৰু প্ৰতিফলন সমমিতি আছে, যেনে— ইংৰাজী বৰ্ণমালা আৰু বিভিন্ন আকৃতি সেইবোৰ বাছি উলিয়াবলৈ জানিব।
  - — জালি (net)ৰ নক্সা ব্যৱহাৰ কৰি ঘনক, চিলিণ্ডাৰ আৰু শঙ্কু তৈয়াৰ কৰিব জানিব।

